## জীৱনৰ গুণগতমান মানে কি (What is Quality of life) ঃ

জীৱনৰ গুণগত মানদণ্ড হ'ল এটা জটিল বিধৰ ধাৰণা। বিভিন্নজনে বিভিন্ন ধৰণে জীৱনৰ মানদণ্ড নিৰূপণ কৰা দেখা যায়। কাৰণ জীৱনৰ মানদণ্ডৰ লগত আৰ্থসামাজিক, সাংস্কৃতিক আৰু দৰ্শন জড়িত হৈ থাকে। জীৱনৰ মানদণ্ড সাধাৰণতে দুই ধৰণে নিৰূপণ কৰিব পাৰি—

(ক) অৰ্থনৈতিক উন্নতি আৰু জনমুৰি আয়ৰ বৃদ্ধিৰে।

(খ) সামাজিক আৰু সাংস্কৃতিক দিশৰ উন্নতিৰে।

অৰ্থাৎ জনমুৰি আয় যেতিয়া বৃদ্ধি পায়, তেতিয়া মানুহৰ জীৱন ধাৰণৰ উপায় বিলাকো উন্নত হৈ পৰে। অৰ্থনৈতিকভাৱে যেতিয়া প্ৰত্যেকজন মানুহে স্বাৱলম্বী হয় তেতিয়া কোনো কাৰো ওপৰত বোজা হ'ব নালাগে। ইয়াৰ উপৰিও জীৱনৰ গুণগত মানদণ্ড সামাজিক আৰু সাংস্কৃতিক দিশৰ ওপৰতো নিৰ্ভৰ কৰে। মানৱীয় সম্পৰ্ক, মুল্যবোধ, চিন্তাধাৰা আদিৰ উৎকৰ্ষ সাধনৰ সৈতে জীৱনৰ গুণগত মানদণ্ডৰ ওচৰ সম্বন্ধ আছে।

বৰ্ত্তমান সময়ত PQL (Physical Quality of life) বা পাৰ্থিৱ জীৱনৰ গুণগতমানক জীৱনৰ গুণগতমান বুজাবলৈ ব্যৱহাৰ কৰা হয়। ই প্ৰধানত তিনিটা উপাদানেৰে গঠিত— শিক্ষা, আয় আৰু ব্যয়। কিন্তু পাৰ্থিৱ জীৱনৰ মানদণ্ডই সামগ্ৰিক জীৱনৰ মানদণ্ড উন্নত নকৰে।

১৯৯৩ চনৰ H.P. Mehta ৰ জনসংখ্যা শিক্ষাৰ বিষয়ে লিখা ৰচনাৰ মতে—" Quality of life is comprised of palatable food to digest well.

Scanned with CamScanner

and enjoy, enough space and scope to contain and express the needs of the body and soul, in full awareness and respect of other persons and soul robust health with a binding element of youth fulness and above all the share of love of life– the gift of friendship and love, the sense of wonder, endless curiosity, the perpetual thirst for giving and receiving ceaseless striving for new creations and the capacity to accept any outcome in full understanding and with atmost serenity, cheerfulness and gratitute."

জীৱনৰ গুণমান এনে এক বহুল পৰিসৰৰ ধাৰণা যাৰ অৰ্থ একে আষাৰে কৈ দিব পৰা নাযায়। 'গুণমান'ৰ ইংৰাজী প্ৰতিশব্দ 'Quality' ৰ আভিধানিক অৰ্থ হৈছে কোনো বস্তু বা বিষয়ৰ গুণ, বৈশিষ্ট্য উৎকৃষ্ট আদি অৱস্থাৰ মাত্ৰা। জীৱনৰ গুণমান বুলিলে এনে এক অৱস্থাক বুজায় যি ব্যক্তি আৰু সমাজৰ দৈহিক, মানসিক, আবেগিক, সামাজিক আৰু অৰ্থনৈতিক প্ৰয়োজনবোৰ উত্তমভাৱে পূৰণ কৰি তুলিব পাৰে।

**জীৱনৰ গুণমানৰ প্ৰধান বৈশিষ্ট্যবোৰ (Major characteristics of quality of life) ঃ**

(১) জীৱনৰ গুণমান হৈছে এক বহল পৰিসৰৰ ধাৰণা যি সাধাৰণতে ভাৱমূলক আৰু মানৱতাবাদী ধৰণৰ।

(২) ই হৈছে এক জীৱনজুৰি চলা প্ৰক্ৰিয়া য'ত জীৱনৰ সুন্দৰতা আৰু উৎকৃষ্টতাক গুৰুত্ব দিয়ে।

(৩) জীৱনৰ গুণমান বৃদ্ধিয়ে মানুহৰ জনমুৰি আয় বৃদ্ধি কৰি তোলে।

(৪) এজন ব্যক্তিৰ জীৱনৰ গুণমান বৃদ্ধিয়ে আন এজন ব্যক্তি বা সমাজক ক্ষতি নকৰে।

Scanned with CamScanner

**জীৱনৰ গুণমান আৰু জনসংখ্যাৰ মাজৰ সম্বন্ধ (Relation between quality of life and population) ঃ**

এজন ব্যক্তিৰ জীৱন ধাৰণৰ উন্নত অৱস্থা বহু পৰিমাণে তেওঁৰ পৰিয়ালৰ জনসংখ্যাৰ ওপৰত নিৰ্ভৰশীল। জনসংখ্যাৰ অনুকূল-প্ৰতিকুল পৰিস্থিতিৰ লগত এখন দেশৰ মানুহৰ জীৱন ধাৰণৰ মানদণ্ডৰ সম্পৰ্ক মনকৰিবলগীয়া। কম জনসংখ্যাৰ এখন দেশে তাৰ নাগৰিকসকলক উৎকৃষ্ট সা-সুবিধা প্ৰদান কৰি মানৱ সম্পদৰ উপযুক্ত প্ৰয়োগ কৰিব পাৰে। বৰ্ধিত জনসংখ্যাই যদি দেশত ক্ষুধা, দৰিদ্ৰতা, অভাৱ-অনাটন, শিশু-শ্ৰমিকৰ ভয়াবহতা, স্বাস্থ্য, শিক্ষা, নিবনুৱা সমস্যা, নৈতিকতাৰ সমস্যা আদি এশ এবুৰি সমস্যাৰ সৃষ্টি কৰে, তেতিয়া সেই দেশৰ মানুহৰ জীৱনৰ মানদণ্ড কেতিয়াও উন্নত হ'ব নোৱাৰে। তলত এই বিষয়ে আলোচনা কৰা হ'ল—

**জনসংখ্যাৰ লগত স্বাস্থ্য আৰু পৰিপুষ্টিৰ সম্বন্ধ (Relation between population and health status and nutrition) ঃ**

গুণবিশিষ্ট জীৱনৰ লগত মানুহৰ স্বাস্থ্য আৰু পৰিপুষ্টিৰ সম্বন্ধ আছে। জনসাধাৰণৰ সু-স্বাস্থ্যই আৰ্থসামাজিক বিকাশত প্ৰভাৱ পেলায়। আনহাতে সুস্বাস্থ্য ৰক্ষাৰ বাবে প্ৰয়োজন সকলোবিধ পৰিপুষ্টিৰ। খাদ্যবস্তুৰ পৰ্য্যাপ্ততাই শৰীৰৰ পৰিপুষ্টি সাধন কৰে। আনহাতে উপযুক্ত পৰিপুষ্টিয়ে জীৱন ধাৰণৰ মানদণ্ড উন্নত কৰি তোলে। দেশত উৎপাদিত খাদ্যবস্তুৰ অনুপাতে জনসংখ্যাৰ পৰিমাণ যেতিয়া বেছি হয় তেতিয়া স্বাভাৱিকতে মানুহে পৰিপুষ্টিহীনতাত ভোগে। ফলত দৰিদ্ৰ, ক্ষুধাতুৰ আৰু পুষ্টিহীন মানুহৰ সংখ্যা বৃদ্ধি হৈ দেশত অন্ন-বস্ত্ৰ আৰু বাসস্থানৰ সমস্যাই দেখা দিয়ে। সেয়েহে উপযুক্ত পুষ্টি সাধনেৰে জনস্বাস্থ্য ৰক্ষা কৰিবলৈ হ'লে জনসংখ্যা নিয়ন্ত্ৰণ কৰিবই লাগিব।

জনসংখ্যা বৃদ্ধিয়ে খাদ্যবস্তু যোগানৰ ক্ষেত্ৰতো প্ৰভাৱ বিস্তাৰ কৰে। যদি খাদ্যবস্তুৰ উৎপাদন জনসংখ্যাতকৈ বেছি হয় তেন্তে জনমূৰি খাদ্য যোগান কমি

Scanned with CamScanner

নাযায়। কিন্তু তাৰ বিপৰীতে যদি খাদ্যবস্তুৰ উৎপাদন কম হয় তেনেহলে জনমূৰি খাদ্য যোগান কমি যায়। পৰিয়ালৰ আকাৰৰ ওপৰত গুণগত খাদ্যৰ পৰিমাণ আৰু পৰিপুষ্টিৰ মাত্ৰা নিৰ্ভৰ কৰে। উচ্চ আয় থকা পৰিয়াল এটাত যদি জনসংখ্যা বেছিও হয়, তেন্তে ই পৰিয়ালটোৰ খাদ্যবস্তু আৰু পৰিপুষ্টিৰ গুণগত মানদণ্ড কমাব নোৱাৰে। আনহাতে কম আয়ৰ পৰিয়াল এটাত জনসংখ্যা বৃদ্ধি পালে তেনে পৰিয়ালৰ সদস্যসকলে কম পৰিমাণৰ আৰু নিম্নমানৰ খাদ্যবস্তু আৰু পৰিপুষ্টি লাভ কৰে।

Scanned with CamScanner